**NSD NEWS UNIT**
AKASHVANI, GUWAHATI
0000000000

**Date :** 22-11-2025
**Time:** 1340 Hrs

***Assamese Midday Bulletin***
HEADLINES
000000

Headlines

১। দক্ষিণ আফ্ৰিকাৰ জোহান্সবাৰ্গত আজি আৰম্ভ হোৱা জি টুৱেণ্টি ৰাষ্ট্ৰনেতাৰ শীৰ্ষ সন্মিলনত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে অংশগ্ৰহণ কৰিব।

২। ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে কৈছে, যে নাগৰিকসকলৰ জীৱন-যাত্ৰাৰ উন্নতিৰ বাবে চৰকাৰে বিভিন্ন ব্যৱস্থা গ্ৰহণ কৰিছে।

৩। চৰকাৰে নেচনেল কেডেট কৰ্পছ, এন চি চিৰ শক্তি ১৭ লাখৰ পৰা ২০ লাখলৈ বৃদ্ধি কৰাৰ পৰিকল্পনা কৰিছে বুলি প্ৰতিৰক্ষা সচিব ৰাজেশ কুমাৰ সিঙে প্ৰকাশ কৰিছে।

৪। পাকিস্তানৰ ফেইচলাবাদৰ মলিকপুৰ এলেকাৰ এটা ৰসায়ণ কাৰখানাত হোৱা শক্তিশালী বিস্ফোৰণত কমেও ২০ জন লোকে প্ৰাণ হেৰুৱাইছে।

*আৰু*

৫। বৰ্ষাপাৰা টেষ্টৰ আজি প্ৰথম দিনা দক্ষিণ আফ্ৰিকাই মধ্যাহ্ন ভোজন বিৰতিৰ পৰলৈকে দুটা উইকেটৰ বিনিময়ত ১৫৬ ৰাণ সংগ্ৰহ কৰিছে।

000000

দক্ষিণ আফ্ৰিকাৰ জোহান্সবাৰ্গত আজি আৰম্ভ হোৱা জি টুৱেণ্টি ৰাষ্ট্ৰনেতাৰ শীৰ্ষ সন্মিলনত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে অংশগ্ৰহণ কৰিব। এই বছৰৰ সন্মিলনৰ বিষয়বস্তু হৈছে - সংহতি, সমতা আৰু স্থায়িত্ব। দক্ষিণ আফ্ৰিকাৰ অধ্যক্ষতাত হোৱা এই সন্মিলনত দুৰ্য্যোগ প্ৰশমন, কম আয়ৰ দেশসমূহৰ বাবে ঋণৰ স্থায়িত্ব নিশ্চিতকৰণ, শক্তি স্থানান্তৰৰ বাবে বিত্তৰ ব্যৱস্থা আৰু সৰ্বাত্মক আৰু বহনক্ষম বিকাশৰ বাবে গুৰুত্বপূৰ্ণ খনিজ সম্পদসমূহৰ সঠিক ব্যৱহাৰকে ধৰি কেইবাটাও প্ৰধান বিষয়ত আলোকপাত কৰা হ'ব। জোহান্সবাৰ্গৰ পৰা আমাৰ সংবাদদাতাই জনোৱা অনুসৰি, সৰ্বাত্মক আৰু বহনক্ষম অৰ্থনৈতিক বিকাশৰ পৰা কোনো পিচ পৰি যাতে নাথাকে, সেই বিষয়ত আৰম্ভণি অধিৱেশনতে আলোকপাত কৰা হ'ব। আন্তৰ্জাতিক অৰ্থনৈতিক সহযোগিতাৰ অগ্ৰণী মঞ্চ জি টুৱেণ্টিয়ে গোলকীয় অৰ্থনৈতিক স্থিৰতা ৰক্ষাত গুৰুত্বপূৰ্ণ ভূমিকা

লৈ আহিছে। ভাৰতৰ অধ্যক্ষতাত ২০২৩ চনত অনুষ্ঠিত জি টুৱেণ্টি সন্মিলনত দক্ষিণ আফ্ৰিকাক এই ৰাষ্ট্ৰগোষ্ঠীৰ স্থায়ী সদস্য হিচাপে অন্তৰ্ভুক্ত কৰা হৈছিল। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ নেতৃত্বত ভাৰতত অনুষ্ঠিত সন্মিলনত বিভিন্ন গোলকীয় প্ৰত্যাহ্বানৰ মুখামুখি হ'ব পৰাকৈ জি টুৱেণ্টিক আৰ্হি হিচাপে লোৱাৰ সিদ্ধান্ত গ্ৰহণ কৰা হৈছিল। ভাৰতে নিজৰ প্ৰাচীন দৰ্শন **বসুধৈৱ কুটুম্বকম**ৰ নীতিৰে এক পৃথিৱী-এক পৰিয়াল-এক ভৱিষ্যতৰ বাবে কাম কৰাৰ আদৰ্শ প্ৰদৰ্শন কৰিছিল।

oooooo

ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে কৈছে, যে নাগৰিকসকলৰ জীৱন-যাত্ৰাৰ উন্নতিৰ বাবে চৰকাৰে বিভিন্ন ব্যৱস্থা গ্ৰহণ কৰিছে। তেওঁ কয়, যে মানুহৰ দক্ষতা আৰু শক্তি ৰাষ্ট্ৰৰ উন্নয়নত ব্যৱহাৰ হ'ব লাগিব। ৰাজ্যখনৰ পুত্তাপৰ্তিৰ প্ৰশান্তি নিলয়মত শ্ৰী সত্য সাইবাবাৰ শতবাৰ্ষিকী অনুষ্ঠানত অংশগ্ৰহণ কৰি ৰাষ্ট্ৰপতিগৰাকীয়ে আজি এইদৰে কয়। সাই কূলৱন্ত হলত শ্ৰীমতী মুৰ্মুৱে শ্ৰী সত্য সাইবাবাৰ প্ৰতি শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে। সামুহিক অংশগ্ৰহণৰ আহ্বান জনাই ৰাষ্ট্ৰপতিগৰাকীয়ে কয়, যে আধ্যাত্মিক সংগঠন, স্বেচ্ছাসেৱী সংস্থা, ৰাজহুৱা খণ্ড আৰু নাগৰিকসকলকে ধৰি সকলোৱে গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিব লাগিব। এই সামুহিক প্ৰচেষ্টাৰ জৰিয়তে ২০৪৭ চনৰ ভিতৰত ভাৰত বিকশিত ভাৰতত পৰিণত হ'ব পাৰিব বুলি শ্ৰীমতী মুৰ্মুৱে উল্লেখ কৰে।ooooo

oooooo

অৱসৰপ্ৰাপ্ত ন্যায়াধীশ বিপ্লৱ কুমাৰ শৰ্মাৰ অধ্যক্ষতাত গঠন কৰা উচ্চস্তৰীয় সমিতিৰ প্ৰতিবেদন কাৰ্যকৰীকৰণ সন্দৰ্ভত আজি মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ অধ্যক্ষতাত ৰাজ্য চৰকাৰ আৰু সদৌ অসম ছাত্ৰ সন্থাৰ মাজত আলোচনা অনুষ্ঠিত হ'ব। সন্ধিয়া ৬ বজাত দিছপুৰৰ লোকসেৱা ভৱনৰ মুখ্যমন্ত্ৰী কাৰ্যালয়ৰ সভাকক্ষত এই আলোচনা অনুষ্ঠিত হ'ব।

ইপিনে, অসম চুক্তি ৰূপায়ণ মন্ত্ৰী অতুল বৰাই কালি এই সন্দৰ্ভত জনতাভৱনৰ অসম চুক্তি ৰূপায়ণ বিভাগৰ উচ্চ পদস্থ বিষয়াসমূহৰ সৈতে এখন বৈঠকত মিলিত হয়। বৈঠকত দাখিল কৰিবলগীয়া প্ৰতিবেদনৰ সৈতে জড়িত বিভিন্ন বিষয় আৰু বিভাগীয় অন্যান্য গুৰুত্বপূৰ্ণ বিষয় সন্দৰ্ভত পৰ্যালোচনা কৰা হয়।

oooooo

চৰকাৰে নেচনেল কেডেট কৰ্পছ, এন চি চিৰ শক্তি ১৭ লাখৰ পৰা ২০ লাখলৈ বৃদ্ধি কৰাৰ পৰিকল্পনা কৰিছে। লগতে ৰাষ্ট্ৰীয় উন্নয়ন আৰু ৰাষ্ট্ৰীয় সুৰক্ষালৈ অধিক অৱদান আগবঢ়াব পৰাকৈ ৰাষ্ট্ৰীয় শিক্ষাৰ্থী বাহিনী, এন চি চিৰ ভূমিকাৰো সম্প্ৰসাৰণ কৰা হ'ব। ৰাষ্ট্ৰীয় শিক্ষাৰ্থী বাহিনীৰ ৭৮ সংখ্যক প্ৰতিষ্ঠা দিৱসৰ লগত সংগতি ৰাখি নতুন দিল্লীৰ ৰাষ্ট্ৰীয় যুদ্ধ স্মাৰকত মাল্যাৰ্পণ কৰি প্ৰতিৰক্ষা সচিব ৰাজেশ কুমাৰ সিঙে এইদৰে কয়। দেশৰ ২৮ বছৰ বয়সৰ ভিতৰৰ যুৱ সমাজৰ বিষয়ে উল্লেখ কৰি শ্ৰীসিঙে কয়, যে এই জনসংখ্যা দেশৰ প্ৰগতিৰ অন্যতম প্ৰধান চালিকা শক্তি। দেশৰ যুৱ শক্তি আৰু প্ৰতিভাৰ এন চি চি শক্তিশালী উদাহৰণ বুলিও তেওঁ উল্লেখ কৰে।

এন চি চিৰ সঞ্চালকপ্ৰধান লেফটেনেণ্ট জেনেৰেল বীৰেন্দ্ৰ ভাটছে কয়, যে দেশৰ ৭০০ খনৰো অধিক জিলাত ৰাষ্ট্ৰীয় শিক্ষাৰ্থী বাহিনী আছে আৰু বাহিনীৰ মুঠ জোৱানৰ ৪০ শতাংশই হৈছে যুৱতী। এন চি চিৰ ইতিহাস স্মৰণ কৰি তেওঁ কয়, যে ১৯৪৮ চনত মাত্ৰ ২০ হাজাৰ যুৱক-যুৱতীৰে এই বাহিনী গঠন কৰা হৈছিল যদিও বৰ্তমান ইয়াৰ শক্তি বহুগুণে সম্প্ৰসাৰণ হৈছে। সামুহিক উন্নয়ন আৰু মানৱীয় সাহায্যৰ ক্ষেত্ৰত

এন চি চিৰ যুৱক-যুৱতীসকল সদায় নিয়োজিত হৈ আহিছে বুলি উল্লেখ কৰি সঞ্চালকপ্ৰধানগৰাকীয়ে এন চি চিৰ কাম-কাজক নতুন মাত্ৰা দিয়াত আধুনিক প্ৰযুক্তি ব্যৱহাৰৰ গুৰুত্বত জোৰ দিয়ে।০০০০০০

০০০০০০

কেন্দ্ৰীয় মন্ত্ৰী তথা বিজেপিৰ ৰাষ্ট্ৰীয় সভাপতি জে পি নড্ডাই চৰ্দাৰ বল্লভ ভাই পেটেলৰ ডেৰশ বছৰীয়া জয়ন্তীৰ লগত সংগতি ৰাখি আজি নতুন দিল্লীত চৰ্দাৰ এট ৱান ফিফ্‌টি শীৰ্ষক পদযাত্ৰাৰ শুভাৰম্ভ কৰে। এই উপলক্ষে শ্ৰীনড্ডাই চৰ্দাৰ পেটেলৰ ঐতিহ্যৰ সন্মানাৰ্থে দেশজুৰি আয়োজন কৰা বিভিন্ন অনুষ্ঠানৰ বিষয়ে আলোকপাত কৰে। শ্ৰীনড্ডাই কয়, যে দেশৰ বিভিন্ন অঞ্চলৰ পৰা উলিওৱা ৫ টা সমদল চৰ্দাৰ পেটেলৰ জন্মস্থানত সমবেত হ'ব। তাৰ পৰা গুজৰাটৰ কেৱাৰিয়ালৈ ১০ দিনীয়া পদযাত্ৰা উলিওৱা হ'ব। ৰাষ্ট্ৰক এক ভাৰত-শ্ৰেষ্ঠ ভাৰত, বিকশিত ভাৰত আৰু আত্ম-নিৰ্ভৰ ভাৰতৰ লক্ষ্যৰ দিশে আগুৱাই নিয়াৰ বাবে যুৱ প্ৰজন্মক উৎসাহিত কৰাটোৱে চৰ্দাৰ পেটেলৰ প্ৰতি প্ৰকৃত শ্ৰদ্ধাঞ্জলি হ'ব বুলি মন্ত্ৰীগৰাকীয়ে উল্লেখ কৰে।

০০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে অহা ৩০ নৱেম্বৰত আকাশবাণীৰ  মন কী বাত অনুষ্ঠানৰ জৰিয়তে দেশ-বিদেশৰ জনসাধাৰণৰ আগত নিজৰ মনৰ ভাব ব্যক্ত কৰিব। এয়া হ'ব অনুষ্ঠানটোৰ ১২৮ সংখ্যক খণ্ড। জনসাধাৰণে ১৮০০ ১১ ৭৮০০ শুল্ক বিহীন নম্বৰত ফোন কৰি এই অনুষ্ঠানৰ বাবে নিজৰ মতামত আৰু পৰামৰ্শ প্ৰেৰণ কৰিব পাৰিব। নমো এপ নাইবা মাই গ'ভ মুকলি মঞ্চ অথবা ৱান-নাইন-টু টু নম্বৰত মিছকল দিয়াৰ পাছত লাভ কৰা লিংকৰ  জৰিয়তেও জনসাধাৰণে ২৮ নৱেম্বৰ পৰ্যন্ত দিহা-পৰামৰ্শ আগবঢ়াব পাৰিব।

০০০০০০

ভাৰতে এছিয়া-প্ৰশান্ত মহাসাগৰীয় অঞ্চলত দুৰ্য্যোগ আৰু জলবায়ু পৰিৱৰ্তনৰ বিপদৰ আশংকা কম কৰাৰ বাবে এছীয় আৰু প্ৰশান্ত মহাসাগৰীয় দুৰ্য্যোগ তথ্য ব্যৱস্থাপনা উন্নয়ন কেন্দ্ৰ আৰু আঞ্চলিক সহযোগীসকলৰ সৈতে ঘনিষ্ঠতাৰে কাম কৰাৰ প্ৰতি থকা প্ৰতিশ্ৰুতিৱদ্ধতাৰ বিষয়ে দোহাৰিছে। এছীয় আৰু প্ৰশান্ত মহাসাগৰীয় দুৰ্য্যোগ তথ্য ব্যৱস্থাপনা উন্নয়ন কেন্দ্ৰৰ নতুন দিল্লীত অনুষ্ঠিত দশম অধিৱেশনত ভাষণ দি কেন্দ্ৰীয় গৃহ ৰাজ্য মন্ত্ৰী নিত্যানন্দ ৰায়ে আঞ্চলিক দুৰ্য্যোগৰ মুখামুখি হোৱা আৰু সহযোগিতাৰ বাবে ভাৰতৰ প্ৰতিশ্ৰুতিৱদ্ধতাৰ বিষয়ে পুনৰ উল্লেখ কৰে। তেওঁ কয়, যে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ গতিশীল নেতৃত্বত ভাৰতে বিপদাশংকাৰ মূল্যায়ণ, প্ৰভাৱ আধাৰিত আগজাননী, আগতীয়া সতৰ্কীকৰণ আৰু জলবায়ু অনুকূল আন্তঃগাঁথনি পৰিকল্পনা সাঙুৰি সৰ্বাত্মক সামৰ্থ্য বিকাশৰ কাৰ্য্যসূচী আগবঢ়াই নিব।

০০০০০০

পাকিস্তানৰ ফেইচলাবাদৰ মলিকপুৰ এলেকাত কালি এটা ৰসায়ণ কাৰখানাত হোৱা শক্তিশালী বিস্ফোৰণত কমেও ২০ জন লোকে প্ৰাণ হেৰুৱায় আৰু অন্য সাতজন আহত হয়। চাহাব নগৰৰ কাবাদী ষ্টেডিয়ামৰ সমীপৰ আঠা তৈয়াৰী কাৰখানাত  সংঘটিত এই বিস্ফোৰণ ইমানেই শক্তিশালী আছিল যে, ইয়াৰ শব্দ চহৰখনৰ সকলো ঠাইৰ পৰা শুনা গৈছিল। স্থানীয় সংবাদ মাধ্যমৰ বাতৰি অনুসৰি, বিস্ফোৰণস্থলীত মুঠ ৩১ খন উদ্ধাৰকাৰী বাহন নিয়োগ কৰা হয়।

০০০০০০

ভিয়েটনামত নেৰা-নেপেৰা বৰষুণ, বান আৰু ভূমিস্খলনত মৃত্যু হোৱাৰ লোকৰ সংখ্যাই ৪০ অতিক্ৰম কৰিছে। দেশখনৰ বান প্ৰভাৱিত খান হোৱা, ডাক লাক আৰু জিয়া লাই প্ৰদেশৰ পৰা ১০ হাজাৰৰো অধিক লোকক নিৰাপদ স্থানলৈ আঁতৰাই নিয়া হৈছে। দেশখনৰ উপ-প্ৰধানমন্ত্ৰী ক'ক ডুঙে বান প্ৰভাৱিত প্ৰদেশ কেইখনৰ সেনাবাহিনীক আৰক্ষী আৰু অন্য সুৰক্ষা বাহিনীৰ লোকক নিয়োগ কৰাৰ নিৰ্দেশ দিছে। ক্ষতিগ্ৰস্ত এলেকাসমূহত ৫২ হাজাৰৰো অধিক বাসগৃহ বানত বুৰ গৈছে।

০০০০০০

টেষ্ট ক্ৰিকেটৰ মানচিত্ৰত প্ৰথমবাৰৰ বাবে গুৱাহাটীৰ অভিষেক ঘটিছে। অসম ক্ৰিকেটৰ ৭৬ বছৰীয়া ইতিহাসত প্ৰথমবাৰৰ বাবে  বৰ্ষাপাৰাত থকা অসম ক্ৰিকেট এছ'চিয়েছনৰ ষ্টেডিয়ামত  ভাৰত আৰু দক্ষিণ আফ্ৰিকাৰ মাজৰ চলিত টেষ্ট শৃংখলাৰ দ্বিতীয় তথা অন্তিমখন টেষ্ট মেচ আৰম্ভ হৈছে। খেলখনত দক্ষিণ আফ্ৰিকাই টছত জিকি প্ৰথমে বেট ধৰাৰ সিদ্ধান্ত লৈ মধ্যাহ্ন ভোজন বিৰতিৰ পৰলৈকে দুটা উইকেটৰ বিনিময়ত ১৫৬ ৰাণ সংগ্ৰহ কৰে। ভাৰতৰ হৈ যশপ্ৰীত বুমৰা আৰু কূলদীপ যাদৱে এটাকৈ উইকেট দখল কৰে।  ডিঙিৰ আঘাতৰ বাবে দ্বিতীয় টেষ্টৰ পৰা বাদ পৰা ভাৰতীয় দলৰ অধিনায়ক শুভমন গীলৰ স্থানত ঋষভ পণ্টে দলক নেতৃত্ব দিছে।

আজিৰ ক্ৰিকেট টেষ্ট মেচ খনৰ বাবে গুৱাহাটীত যান-বাহন চলাচলৰ ক্ষেত্ৰত বিশেষ নিৰ্দেশনা জাৰি কৰা হৈছে। সেই অনুসৰি  বৰ্ষাপাৰাৰ সমীপৰ পথত বাণিজ্যিক বাহনৰ চলাচলত বাধা আৰোপ কৰা হৈছে। বি কে কাকতি পথ, এ কে আজাদ পথ, কুল বসুমতাৰী পথ, ভূপেন হাজৰিকা পথ, মৰা ভৰলু পথ, বিৰুবাৰী পথ, পণ্ডিত দীনদয়াল উপাধ্যায় পথ আৰু আৰ কে চি পথত আজি বাণিজ্যিক বাহনৰ চলাচল বন্ধ থাকিব। একেদৰে লালগণেশ পথ আৰু কুল বসুমতাৰী পথো ৱান ৱে কৰা হৈছে। অৱশ্যে জৰুৰীকালীন সেৱা, স্থানীয় লোক, বিদ্যালয় বাহনৰ চলাচলত বাধা নাথাকিব।

০০০০০০

সমাপ্ত